# ক্ষেত্ৰ অধ্যয়ন

## অসমীয়া বিভাগ

## কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়

বিষয় = পুৰণি অসমীয়া লিপি অধ্যয়ন ।


নাম = শ্ৰী মধুস্মিতা তালুকদাৰ ।

ৰোল নং = ASM-26

দ্বিতীয় ষাণ্মাসিক

পঞ্জীয়ন নং = 201301461 , of 2019-20

চন = 2020 ইং

১. আৰম্ভণি :

সাহিত্যৰ মূল মেৰুদণ্ড ভাষা, লিখিত ভাষাৰ মূল মেৰুদণ্ড লিপি। ভাষা অবিহনে সাহিত্যৰ সৃষ্টি হব নোৱাৰাৰ দৰে লিপিক বাদ দি সুসভ্য ভাষাৰ জন্ম আৰু বিকাশ অসম্ভৱ।

যেকোনো ভাষা ধ্বনিক দৃশ্যমান প্ৰতীক আকাৰত লিপিবদ্ধ কৰা হয়, সেয়ে লিপি। সাধাৰণ অৰ্থত লিপি মানে লিখন বা লিখা কাৰ্য্য। লিখা কাৰ্য্যৰ ফল হৈছে আখৰ; আকৌ আখৰবোৰ একোটা ধ্বনিৰ প্ৰতীক। সেইকাৰণে আখৰৰ ৰূপ বেলেগ বেলেগ। মানুহৰ মগজুৰ ভাৱনা আৰু ধ্যান প্ৰবাহক ভৱিষ্যতৰ কাৰণে স্থায়িত্ব ধৰি ৰাখিবলৈ কৰা প্ৰচেষ্টাই আছিল লিপি উদ্ভাৱনৰ কাৰণ। ভাৰতবৰ্ষত পুৰণি কালৰে পৰা ধাতুৰে নিৰ্মিত সুক্ষ্মাগ্ৰ কলমেৰে বা অঙুলিৰে ভূৰ্জপত্ৰ, তালপাত আদিত মন ভোলাই মনৰ ভাৱ প্ৰকাশক বাণী সমূহৰ প্ৰতিৰূপ দিয়া হৈছিল। এই দাগবোৰত বিন্দুমান ৰঞ্জক পদাৰ্থৰে ৰং বোলোৱা হৈছিল আৰু এই ধৰণে বহুদিনলৈ মানৱ মনত বিভিন্ন অভিব্যক্তিক সংৰক্ষিত কৰা হৈছিল। ৰঞ্জক পদাৰ্থৰ 'লেপন'ৰ পৰা লিপি শব্দটোৰ উদ্ভৱ হোৱা বুলি অনুমান কৰিব পাৰি। সৰ্বপ্ৰথমে পাণিনিৰ অষ্টাধ্যায়ী সূত্ৰপাঠত লিপি শব্দটো ব্যৱহাৰ কৰা দেখা যায়।